মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, APRIL 03, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৯৬ Guwahati, Assam ।। মূল্যঃ এটকা

## ৬ মাহৰ মূৰত জামিন পালে আপ নেতা সঞ্জয় সিঙে

# দুৰ্দিনৰ মাজতো আপ নেতা-কৰ্মীৰ হাঁহি

**নতুন দিল্লী, ২ এপ্ৰিলঃ** দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক গ্ৰেপ্তাৰৰ পাছতে আম আদমী পাৰ্টীৰ ভৱিষ্যতক লৈ আশংকা ঘনীভূত হৈছিল। মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে পদৰ পৰা পদত্যাগ কৰা নাই যদিও পৰৱৰ্তী সময়ত পদত্যাগ কৰিলে দলটোত চম্ভালা মানুহৰ অভাৱ হ'ব বুলি নিৰাশ হৈছিল শেষাংশ ৫ পৃষ্ঠাত

## যোৰহাটত গাণনিক ৰাণী বৰা জালত

**ই-সংবাদ, ২ এপ্ৰিলঃ** পুনৰ হাত দাঙিছে খকুৱা, লুভীয়া চৰকাৰী চাকৰিয়ালে। দৰমহাৰ টকা কেইটাৰে পেট নভৰা খকুৱা শেষাংশ ৪ পৃষ্ঠাত

## ওদালগুৰিৰ আয়ুক্তক বদলি

**ই-সংবাদ, ওদালগুৰি, ২ এপ্ৰিলঃ** ওদালগুৰি জিলাৰ আয়ুক্ত ডাঃ ছাডনেক সিঙক তৎকালে কাৰ্যকৰী হোৱাকৈ মঙলবাৰে শেষাংশ ৩ পৃষ্ঠাত

## ছত্তীশগড়ত সংঘৰ্ষত নিহত ৪ মাও বিদ্ৰোহী

**ৰায়পুৰ, ২ এপ্ৰিলঃ** ছত্তীশগড়ৰ বিজাপুৰত আৰক্ষীৰে সংঘৰ্ষত ৪ জন সন্দেহযুক্ত মাওবাদী নিহত হৈছে। সংঘৰ্ষস্থলীৰ পৰা শেষাংশ ২ পৃষ্ঠাত



ভুলৰ ক্ষমা বিচাৰি উচ্চতম ন্যায়ালয় চৌহদত বাবা ৰামদেৱ

# ৰামদেৱৰ বাঢ়িল বিপদ, ক্ষমা কৰি নিদিলে ছুপ্ৰিম ক'ৰ্টে

**নতুন দিল্লী, ২ এপ্ৰিলঃ** বাবা ৰামদেৱৰ কোম্পানী পতঞ্জলিৰ আভুৱা ভৰা বিজ্ঞাপনৰ গোচৰ সন্দৰ্ভত মঙলবাৰে কঠোৰ স্থিতি গ্ৰহণ কৰা দেখা গ'ল সৰ্বোচ্চ ন্যায়ালয়ক। আদালতে ৰামদেৱৰ লগতে কোম্পানীটোৰ পৰিচালন সঞ্চালক আচাৰ্য বালকৃষ্ণক অন্তিম সুযোগ প্ৰদান কৰি অহা ৭ দিনৰ ভিতৰত শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিছে। অহা ১০ এপ্ৰিলত শুনানিৰ পৰৱৰ্তী দিন নিৰ্ধাৰণ কৰাৰ লগতে সেইদিনা শেষাংশ ২ পৃষ্ঠাত

## তিব্বতৰ নাম সলাই দিবলৈ ক'লে মুখ্যমন্ত্ৰীয়ে



ই-সংবাদ, ২ এপ্ৰিলঃ **চিৰ শত্ৰু ৰঙা চীনে অৰুণাচলৰ ৩০ খন ঠাইৰ নাম সলনি কৰি চীনা** ৩ পৃষ্ঠাত চাওক

## হেকাৰৰ কবলত শিল্পী

**ই-সংবাদ, ২ এপ্ৰিলঃ** এইবাৰ হেকাৰে লক্ষ্য কৰি লৈছে অসমৰ সংগীত আৰু ছবিজগতৰ সৈতে জড়িত লোকক। একাংশ গায়ক-কলা-কুশলীক হেকাৰৰ লক্ষ্য হৈ পৰিছে। প্ৰকাশিত শেষাংশ ২ পৃষ্ঠাত

## ইস্তানবুলত ভয়াৱহ অগ্নিকাণ্ড, ২৯জন নিহত

**ইস্তানবুল, ২ এপ্ৰিলঃ** তুৰস্কৰ ইস্তানবুল চহৰত এটা নাইট ক্লাৱত ভয়াৱহ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হৈছে। এই অগ্নিকাণ্ডত অতি কমেও শেষাংশ ২ পৃষ্ঠাত

## বিবাহৰ প্ৰলোভন! যুৱতীৰে ভয়ংকৰ কাণ্ড

**ই-সংবাদ, কোকৰাঝাৰ, ২ এপ্ৰিলঃ** কোকৰাঝাৰ জিলাৰ দামোদৰপুৰৰ এগৰাকী বৰ্মন উপাধীৰ যুৱতীৰ সতে ফেচবুকত চিনাকী হোৱা চাপৰ জিলাৰ শালকোছাৰ বামুনপাৰাৰ বলদেৰ শেষাংশ ৩ পৃষ্ঠাত

## সোণোৱালৰ বিৰুদ্ধে গণ মঞ্চৰ জেহাদ ঘোষণা

**ই-সংবাদ, লাহোৱাল, ২ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনৰ প্ৰচাৰ তুংগত উঠাৰ সময়তে কেন্দ্ৰীয় মন্ত্ৰী, প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বিজেপিৰ শেষাংশ ৫ পৃষ্ঠাত

# ভিভিপেট শ্লিপক লৈ আয়োগক জাননী

**নতুন দিল্লী, ২ এপ্ৰিলঃ** বিৰোধীৰ একাধিক দাবী সত্বেও ভিভিপেটৰ বিষয়টোক নিৰ্বাচন আয়োগে আওকাণ কৰি অহাৰ সময়তে এই সন্দৰ্ভত গুৰুত্বপূৰ্ণ জাননী প্ৰেৰণ কৰিছে সৰ্বোচ্চ ন্যায়ালয়ে। মঙলবাৰে অধিবক্তা অৰুণকুমাৰ আগৰৱালাৰ এক আবেদনৰ ওপৰত ভিত্তি কৰি নিৰ্বাচন আয়োগক ভিভিপেট সম্পৰ্কে জাননী প্ৰেৰণ কৰে আদালতে। বৰ্তমান নিৰ্বাচনসমূহত শেষাংশ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছত্তীশগড়ত সংঘৰ্ষত নিহত

বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰও উদ্ধাৰ কৰে আৰক্ষীয়ে। বাস্তাৰ আৰক্ষীৰ সূত্ৰই সদৰী কৰা মতে ডিষ্ট্ৰিক্ট ৰিজাৰ্ভ গাৰ্ড, এছটিএফ, কোব্ৰা আৰু চিআৰপিএফৰ এটা যুটীয়া দলে চলোৱা গংগালুৰত এক অভিযান চলাইছিল। মঙলবাৰে পুৱাই লেণ্ড্ৰাৰ অৰণ্যত চলোৱা এই অভিযানৰ উমান পাই তাত আত্মগোপন কৰি থকা মাওবাদীৰ দলে আৰক্ষীলৈ লক্ষ্য কৰি গুলীচালনা কৰে। আৰক্ষীয়েও প্ৰত্যুত্তৰ দিয়াত কেবাঘণ্টা ধৰি গুলীয়াগুলী অব্যাহত থাকে। গুলীয়াগুলী বন্ধ হোৱাৰ পিছত ঘটনাস্থলীত অৰণ্যৰ ভিতৰলৈ যোৱাত ঘটনাস্থলীৰ পৰা ৪জনকৈ সন্দেহযুক্ত মাওবাদীৰ মৃতদেহ উদ্ধাৰ হয়। এই ঘটনাত কেবাগৰাকী মাওবাদী আহত হোৱা বুলি দাবী কৰিছে আৰক্ষীয়ে। উল্লেখ্য যে যোৱা ৩ মাহত মাওবাদীৰ বিৰুদ্ধে ঘন জংঘলত আৰক্ষীয়ে ধাৰাবাহিকভাৱে অভিযান চলাই গৈছে। অভিযানকালত একাধিকবাৰ সংঘৰ্ষও সংঘটিত হৈছে। এই সময়ছোৱাত হোৱা সংঘৰ্ষত অতিকমেও ৪০ জন মাওবাদী নিহত হোৱা বুলি দাবী কৰিছে ছত্তীশগড় আৰক্ষীয়ে। ইয়াৰে কেবাটাও সংঘৰ্ষক ভুৱা বুলি দাবী কৰিছে স্থানীয় সংগঠনে। সংঘৰ্ষৰ নামত আদিবাসী যুৱকক হত্যাৰো অভিযোগ উঠিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰামদেৱৰ বাঢ়িল বিপদ

ৰামদেৱ আৰু বালকৃষ্ণণক সোশৰীৰ উপস্থিত থাকিবলৈকো নিৰ্দেশ দিছে সৰ্বোচ্চ ন্যায়ালয়ে। আজি শুনানিৰ সময়ত ৰামদেৱৰ অধিবক্তা বলবীৰ সিঙে আদালতক কয় যে ৰামদেৱে ক্ষমা বিচাৰিবলৈ আদালতলৈ আহিছে যদিও ভিৰৰ বাবে আদালত কক্ষত হাজিৰ হ'ব নোৱাৰিলে। ইয়াৰ পিছত আদালতে শপতনামা চাই আৰু সেয়া বিচৰাধৰণৰ শপতনামা নহয় বুলি ভৎসৰ্না কৰে। যেতিয়া ৰামদেৱৰ হৈ অধিবক্তাই ক্ষমাপত্ৰ পাঠ কৰে তেতিয়া আদালত ক্ষুব্ধ হৈ পৰে আৰু ক্ষমা কৰিবলৈ অস্বীকাৰ কৰে। ন্যায়াধীশ হিমা কোহলি আৰু ন্যায়াধীশ আমানতুল্লাহৰ খণ্ড বিচাৰপীঠে পিছত ৰামদেৱ আৰু বালাকৃষ্ণণৰ বিৰুদ্ধে গোচৰ চলাবলৈকো পঞ্জীয়কক নিৰ্দেশ দিয়ে। আদালতে ক'ভিডৰ সময়ত দেশবাসীক ভুৱা বিজ্ঞাপনেৰে বিপথে পৰিচালিত কৰা সন্দৰ্ভত ৰামদেৱ আৰু বালাকৃষ্ণণৰ লগতে এই সন্দৰ্ভত কিয় কোনো বিহিত ব্যৱস্থা লোৱা নহ'ল বুলি কেন্দ্ৰ চৰকাৰৰ আয়ুস মন্ত্ৰণালয়কো জবাবদিহি কৰে। আদালতৰ এনে কঠোৰ ৰূপৰ পিছত ৰামদেৱ আৰু বালাকৃষ্ণণে আদালত কক্ষত উপস্থিত হৈ ক্ষমা বিচাৰে যদিও সেয়া গ্ৰাহ্য নকৰি পৰৱৰ্তী বিচাৰ প্ৰক্ৰিয়াত দুয়োকে সহযোগ কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে ইণ্ডিয়ান মেডিকেল এছ'চিয়েশ্যন চমুকৈ আইএমএই ২০২২ চনৰ ১৭ আগষ্টত পতঞ্জলিৰ বিৰুদ্ধে আদালতৰ দ্বাৰস্থ হৈছিল। আইএমএ-ৰ উক্ত গোচৰত এতিয়া বিপদ বাঢ়িছে ৰামদেৱ আৰু পতঞ্জলিৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইস্তানবুলত ভয়াৱহ অগ্নিকাণ্ড

নিহত হৈছে ২৯ জনকৈ লোক। এই ক্লাৱটো ইস্তানবুলৰ মাজভাগৰ এটা অট্টালিকাৰ তলৰ মহলাত আছিল। ক্লাবটোৰ নিৰ্মাণ কাৰ্য চলি থকাৰ সময়তে এই ঘটনা সংঘটিত হয়। অগ্নিকাণ্ডৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই যদিও বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলতে ইয়াৰ সূত্ৰপাত হোৱা বুলি আশংকা কৰা হৈছে। স্থানীয় প্ৰশাসনে জনোৱা মতে নিহত লোকসকলৰ অধিকাংশই আছিল মেৰামতিৰ কামত নিয়োজিত হৈ থকা শ্ৰমিক। অৱশ্যে এই শ্ৰমিকসকল ক্লাৱটোৰ নিজা কৰ্মচাৰী আছিল নে ঠিকাভিত্তিত কাম কৰিছিল সেয়া জানিব পৰা হোৱা নাই। অগ্নিকাণ্ডৰ খবৰ পোৱা মাত্ৰকে ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ জুই নিৰ্বাপণৰ চেষ্টা কৰে যদিও শ্ৰমিককেইজন জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যুক সাবতি লয়। ঘটনা সন্দৰ্ভত ইস্তানবুল প্ৰশাসনে তদন্তৰ নিৰ্দেশ দিয়া বুলি স্থানীয় সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পাইছে। উল্লেখ্য যে কিছুদিন পূৰ্বেও চহৰখনত এনেধৰণৰ এক অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হেকাৰৰ কবলত শিল্পী

অনুযায়ী কেবাগৰাকী গায়ক-কলা-কুশলীৰ ফেচবুক পেজ আৰু ইউটিউব চেনেল হেক কৰিছে হেকাৰে। ফলত ফেচবুক পেজ আৰু ইউটিউব চেনেলৰ নিয়ন্ত্ৰণ হেৰুৱাই পেলাইছে শিল্পীকেইগৰাকীয়ে। হেক হৈছে শিল্পী দীক্ষু শৰ্মাৰ ফেচবুক একাউণ্ট। জানিব পৰা মতে, নীলোৎপল বৰাৰ ইউটিউব চেনেল, শিল্পী সুবাসনা দত্তৰ ফেচবুক একাউণ্ট আৰু পৰিচালক সুব্ৰত কাকতিৰ ইউটিউব চেনেলো হেকাৰৰ কবলত পৰিছে। সামাজিক মাধ্যম যোগে দৈনন্দিন কৰ্মৰাজি, ভিন্ন কণ্টেণ্ট আদি প্ৰচাৰ কৰি আহিছিল দীক্ষু শৰ্মা, নীলোৎপল বৰা, সুবাসনা দত্ত, সুব্ৰত কাকতিয়ে। মুক্তি পোৱা আৰু মুক্তি পাবলগীয়া গান-ছবিৰো প্ৰচাৰ কৰিছিল ছ'চিয়েল মিডিয়া একাউণ্টকেইটাৰ জৰিয়তে। হঠাৎ হেকাৰৰ কবলত পৰাত এতিয়া যথেষ্ট সমস্যাৰ সন্মুখীন হৈ আৰক্ষীৰ কাষ চাপিছে শিল্পীসকলে। উল্লেখ্য যে বিগত কিছুদিন ধৰি ৰাজ্যৰ বহু ব্যক্তিৰ ছ'চিয়েল মিডিয়া একাউণ্টক লক্ষ্য কৰি আহিছে দুষ্ট চক্ৰই। এনে দুষ্ট চক্ৰই ফেচবুকত অতি সহজে নটিফিকেশ্যন লিংক প্ৰেৰণ কৰি বিভিন্ন লোকক নিজৰ জালত পেলাই আহিছে। মেটাৰ অফিচিয়েল একাউণ্টৰ পৰা অহা বিভিন্ন নটিফিকেশ্যনৰ অনুৰূপ ধৰণে নটিফিকেশ্যন প্ৰেৰণ কৰাত বহুতেই সেয়া ফেচবুকৰ পৰা আহিছে বুলি ভাবি ক্লিক কৰাৰ পিছতে হেক হৈ পৰে একাউণ্ট। একেদৰে ইউটিউবৰ ক্ষেত্ৰত জি-মেইললৈ লিংক প্ৰেৰণ কৰে দুষ্ট চক্ৰটোৱে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যুৱতীৰে ভয়ংকৰ কাণ্ড

বৰ্মনে এক ভয়ংকৰ কাণ্ড কৰা বুলি অভিযোগ উত্থাপিত হৈছে আৰু যুৱতীগৰাকীয়ে কোকৰাঝাৰ সদৰ থানাত এজাহাৰ দাখিল কৰিছে । কোকৰাঝাৰ সদৰ থানাত দাখিল কৰা এজাহাৰ মৰ্মে প্ৰথমে যুৱতীগৰাকীৰ সতে বলদেৱ বৰ্মনে ফেচবুকত চিনাকি হোৱাৰ পিছত যোৱা এক ফেব্ৰুৱাৰীত কোকৰাঝাৰৰ বিশাল মেগামাৰ্টৰ ওচৰত বলদেৱ বৰ্মনে যুৱতীগৰাকীক লগ ধৰে। বলদেৱ বৰ্মনে যুৱতীগৰাকীক বিয়া কৰাম বুলি ভুৱা প্ৰতিশ্ৰুতি দিয়ে আৰু লগ পোৱাৰ পিছতে যুৱতীগৰাকীক ভাড়াঘৰলৈ নিয়ে। যুৱতীগৰাকীক ভাড়াঘৰত তিনি চাৰিদিন আৱদ্ধ কৰি ৰাখি বলদেৱ বৰ্মনে উপৰ্যুপৰি ধৰ্ষন কৰে। ইয়াৰ পিছত যোৱা ১০ ফেব্ৰুৱাৰীত মহামায়া মন্দিৰলৈ নি যুৱতীগৰাকীৰ শিৰত সেন্দুৰ পিন্ধায় বলদেৱ বৰ্মনে। শিৰত সেন্দুৰ দিয়াৰ পিছত যুৱতীগৰাকীক ইফাল-সিফালে ৰাখি যোৱা ২০ ফেব্ৰুৱাৰীত বলদেৱ বৰ্মনে যুৱতীগৰাকীক হাৰিয়ানালৈ লৈ যায়। যুৱতীগৰাকীক যমুনানগৰত ভাড়াঘৰত ৰাখি এইবাৰ যুৱতীগৰাকীৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰে বলদেৱ বৰ্মনে আৰু যুৱতীগৰাকীক বিক্ৰীৰ প্ৰচেষ্টাৰে এগৰাকী ব্যক্তিৰ পৰা আগধন পৰ্যন্ত লয়। নিৰবচ্ছিন্নভাৱে প্ৰায় ডেৰমাহ ধৰি যুৱতীগৰাকীক যৌন নিৰ্যাতন চলোৱাৰ পৰিণিতত যুৱতীগৰাকী অন্ত:সত্বা হয়। যোৱা ২১ মাৰ্চত যুৱতীগৰাকী অন্ত:সত্বা হোৱা বুলি গম পাই বলদেৱ বৰ্মনে যোৱা ২২ মাৰ্চত তাৰ পৰা পলাই পত্ৰং দিয়ে। বলদেৱ বৰ্মনে হাৰিয়ানাত যুৱতীগৰাকীক এৰি অহাৰ পিছত এগৰাকী অচিনাকী ব্যক্তিয়ে যুৱতীগৰাকীক তুমি যাব নোৱাৰা, তোমাৰ স্বামীয়ে মোৰ পৰা পইচা লৈ গৈছে বুলি কোৱাত যুৱতীগৰাকীয়ে ভীষণ ভয় খায়। যুৱতীগৰাকীয়ে সোণৰ চেইন পৰ্যন্ত উক্ত লোকজনক দি তাৰ কবলৰ পৰা ৰক্ষা পৰে আৰু হাৰিয়ানা আৰক্ষীৰ সহায়ত যোৱা ২৮ মাৰ্চত অসম পায়হি যুৱতীগৰাকী। উল্লেখ্য যে বলদেৱ বৰ্মনে যুৱতীগৰাকীৰ পৰা ফোন পৰ্যন্ত কাঢ়ি লৈছিল আৰু যুৱতীগৰাকীৰ জমাধন প্ৰায় ১.৫ লাখ টকাও হস্তগত কৰিছিল। প্ৰতাৰক বলদেৱ বৰ্মনৰ বিৰুদ্ধে কোকৰাঝাৰ সদৰ থানাত এজাহাৰ দাখিল কৰি নিৰ্যাতিতা যুৱতীগৰাকীয়ে জীৱন ধ্বংস কৰা বলদেৱ বৰ্মনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ কান্দি কান্দি অনুৰোধ জনাইছে। তদুপৰি গৰ্ভত থকা ডেৰমহীয়া সন্তানক লৈও এতিয়া বিপাঙত পৰিছে ভুক্তভোগী যুৱতীগৰাকী। উল্লেখ্য যে পাষণ্ড বলদেৱ বৰ্মনে ইয়াৰ পূৰ্বেও আন এগৰাকী যুৱতীৰ সৈতে এনে অপকাণ্ড সংঘটিত কৰিছিল বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তিব্বতৰ নাম সলাই

ভাষাৰে নামাকৰণ কৰাত দেশজুৰি চাঞ্চল্য অব্যাহত আছে৷ চীনৰ এনে সিদ্ধান্তৰ পাছতে বিৰোধী দলে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে৷ কেন্দ্ৰীয় চৰকাৰে চীনৰ বিষয়ত কঠোৰ নোহোৱাৰ লগতে চীনৰ নাম লব নোখোজাত কেন্দ্ৰীয় চৰকাৰক আক্ৰমণৰ লক্ষ্য কৰি লৈছে বিৰোধী দলসমূহে৷ ইয়াৰ মাজতে আজি এই বিষয়ত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই৷ হিমন্ত বিশ্ব শৰ্মাই অৰুণাচলৰ ৩০ খন ঠাইৰ নাম সলনি কৰাৰ উত্তৰ দি তিব্বতৰ ৬০ খন ঠাইৰ নাম সলনি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক পৰামৰ্শ দিয়ে৷ অৰুণাচল প্ৰদেশৰ ৩০ খন ঠাইৰ নাম সলনি কৰাত চীন অধিকৃত তিব্বতীয় অঞ্চলৰ ৬০টা ভৌগোলিক এলেকাৰ নাম সলনি কৰি 'যেনে কুকুৰ তেনে টাঙোন' নীতিৰে চীনক উত্তৰ দিয়াৰ আহ্বান জনায় কেন্দ্ৰীয় চৰকাৰক৷ মুখ্যমন্ত্ৰীয়ে লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ মাজতে ডিফুত এক সভা সম্বোধন কৰি এই মন্তব্য কৰে। চীনৰ পদক্ষেপক তীব্ৰ গৰিহণা দি হিমন্তই কয় যে চীনে ভাৰতৰ অৰুণাচল প্ৰদেশ ৰাজ্যৰ স্থানসমূহৰ নাম সলনি কৰাৰ অজ্ঞানতাপূৰ্ণ প্ৰচেষ্টা অব্যাহত ৰাখিছে। আমি এনে ধৰণৰ প্ৰচেষ্টাক দৃঢ়তাৰে প্ৰত্যাখ্যান কৰো। নাম আৱণ্টন কৰিলেও অৰুণাচল প্ৰদেশ ভাৰতৰ এক অবিচ্ছেদ্য আৰু অবিচ্ছেদ্য অংশ হৈ থাকিব আৰু বাস্তৱতা সলনি নহয়৷ ইপিনে অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে চীনৰ নাম সলনি কৰাৰ প্ৰচেষ্টাক লৈ তীব্ৰ আপত্তি দৰ্শাইছে৷ এয়া চীনৰ আন এটা কৌশল বুলি কৈ পেমা খাণ্ডুই কয় যে আমি ভাৰতৰ গৌৰৱান্বিত নাগৰিক আৰু অৰুণাচল প্ৰদেশৰ বাসিন্দা। ভাৰতৰ এক অবিচ্ছেদ্য অংগ অৰুণাচল প্ৰদেশৰ ভিতৰৰ স্থানসমূহৰ নামকৰণৰ কৰা কাৰ্যক মই তীব্ৰ গৰিহণা দিছো। শেহতীয়াকৈ চীনে বাৰে বাৰে অৰুণাচল প্ৰদেশৰ ভিতৰত স্থানবোৰৰ নাম সলনি কৰি আহিছে৷ শেহতীয়া তালিকাখন হৈছে চতুৰ্থ। এই প্ৰচেষ্টাক ভাৰতে সাৰ্বভৌমত্ব আৰু আঞ্চলিক অখণ্ডতাৰ উলংঘন হিচাপে গণ্য কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ওদালগুৰিৰ আয়ুক্তক

পশুপালন বিভাগলৈ বদলি কৰা হয়। সিঙৰ স্থানত জিলাখনৰ আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া হিচাপে নিযুক্ত কৰা হৈছে জাবিৰ ৰাহুল সুৰেশক। জানিব পৰা মতে সিঙক পশুপালন বিভাগৰ অতিৰিক্ত সচিবৰ দায়িত্ব প্ৰদান কৰা হৈছে। আনহাতে নতুনকৈ জিলা আয়ুক্ত নিযুক্ত হোৱা সুৰেশ পূৰ্বে আছিল পশুপালন বিভাগৰ যুটীয়া সচিব তথা ভাৰপ্ৰাপ্ত সঞ্চালকৰ দায়িত্বত। নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আজিৰ এই সালসলনিৰ পিছতে জিলাখনত আয়ুক্ত কাৰ্যালয়ৰ ষ্ট্ৰং ৰুমৰ পৰা এটা ভিভিপেট মেচিন নোহোৱা হোৱা ঘটনাটোৰে পুনৰ চৰ্চা লাভ কৰিছে। উল্লেখ্য যে দিনদিয়েক পূৰ্বে ৰাইজৰ দলে এক সংবাদমেলযোগে ভিভিপেট মেচিন ৰহস্যজনকভাৱে নোহোৱা হোৱা ঘটনাটো পোহৰলৈ আনিছিল। ইয়াৰ পিছতে বিষয়টোক গুৰুত্বসহকাৰে লৈ ৰাজ্যিক নিৰ্বাচন আয়োগে বিষয়টো তদন্তৰ বাবে ৰাজ্যিক ইভিএম নোডেল বিষয়া ইমলী বৰুৱাক ওদালগুৰিলৈ প্ৰেৰণ কৰিছিল। আজি আয়ুক্তগৰাকীক বদলি কৰা কাৰ্যৰ সৈতে উক্ত ঘটনাৰ সম্পৰ্ক আছে বুলি এতিয়া ৰাজ্যজুৰি চৰ্চা চলা দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যোৰহাটত গাণনিক ৰাণী

থাকিলেও একাংশ চৰকাৰী কৰ্মচাৰীৰ লাজ নালাগে৷ নিলাজৰ দৰে ধন-সম্পত্তি গঢ়াৰ লোভত ঘোচ লোৱাৰ প্ৰথা এৰিব নোখোজা আন এজন চৰকাৰী কৰ্মচাৰী আজি গ্ৰেপ্তাৰ কৰিছে দুৰ্নীতি নিবাৰক শাখাই৷ যোৰহাট জিলাত কৃষি বিভাগৰ কাৰ্যালয়ত মহিলা বিষয়াই কাম কৰি দিয়াৰ বিনিময়ত ঘোচ লোৱাৰ সময়তে গ্ৰেপ্তাৰ হৈছে৷ যোৰহাট জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ গাণনিক ৰাণী বৰাক আজি ঘোচ লোৱাৰ সময়তে দুৰ্নীতি নিবাৰক শাখাই হাতে-লোটে গ্ৰেপ্তাৰ কৰে৷ জানিব পৰা মতে, এগৰাকী লোকৰ কাম কৰি দিয়াৰ নামত ধন দাবী কৰিছিল যোৰহাট জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ গাণনিক ৰাণী বৰাই৷ উক্ত লোকজনে টকা দিবলৈ মান্তি হৈছিল৷ কিন্তু সেই খবৰ গোপনে দিছিল দুৰ্নীতি নিবাৰক শাখাক৷ আজি টকা কেইটা লৈ কাম কৰি দিয়াৰ কথা আছিল৷ কিন্তু লোকজনে দিয়া খবৰৰ ভিত্তিত দুৰ্নীতি নিবাৰক আৰু তদাৰকী শাখাৰ এটা দল যোৰহাট জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত উপস্থিত হয়৷ তাৰ পাছতে ছয় হাজাৰ টকাৰ উৎকোচ লোৱাৰ সময়তে দুৰ্নীতি নিবাৰক শাখাৰ দলটোৱে হাতে-লোটো ধৰে মহিলা গাণনিক বৰাক। ইপিনে যোৰহাট জিলাত ঘোচ লৈ কাম কৰি দিয়াৰ প্ৰথা বন্ধ হোৱাৰ নামেই লোৱা নাই৷ কিয়নো কেইটামান দিনৰ ভিতৰতে উৎকোচ লৈ তৃতীয়গৰাকী কৰ্মচাৰী গ্ৰেপ্তাৰ হৈছে। ঔষধ পৰিদৰ্শকৰ কাৰ্যালয়ৰ মহিলা বিষয়া, কোষাগাৰৰ মহিলাক গ্ৰেপ্তাৰ হোৱাৰ পাছতে আজি যোৰহাট জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ গাণনিক ৰাণী বৰাক গ্ৰেপ্তাৰ কৰা হয়৷ উল্লেখ্য যে বিগত প্ৰায় এবছৰ ধৰি জালত পৰি আহিছে দুৰ্নীতিগ্ৰস্তসকল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভিভিপেট শ্লিপক লৈ

যিকোনো বিধানসভা কেন্দ্ৰৰ মাজত ৫টা ইভিএম বাছি লৈ সেই ইভিএমৰ পৰা ওলোৱা ভিভিপেট শ্লিপ মিলাই চোৱা হয়। আয়োগৰ এনে আধৰুৱা কাৰ্যৰ বিৰোধিতা কৰি আবেদনকাৰীয়ে যুক্তি দাঙি ধৰি কয় যে চৰকাৰে ২৪ লাখ ভিভিপেট মেচিন ক্ৰয় কৰোতে ৫ হাজাৰ কোটি টকা খৰছ কৰিছে যদিও মাত্ৰ ২০ হাজাৰটা ভিভিপেটৰ শ্লিপহে হিচাপ কৰা হয়। ফলত ইভিএমৰ হিচাপ হোৱা ভোট আৰু ভিভিপেটৰ মাজত বহু পাৰ্থক্য বিগত সময়ছোৱাত পাই অহা হৈছে বুলিও আবেদনকাৰী অধিবক্তাগৰাকীয়ে তথ্য সহকাৰে দাঙি ধৰি সকলো ভিভিপেটৰ শ্লিপ গণনাৰ আওতালৈ আনিবলৈ দাবী জনাই সৰ্বোচ্চ আদালতত আবেদন জনাইছিল। অধিবক্তাগৰাকীয়ে আবেদনত ভিভিপেট এটা বেলট বাকচত ৰখাৰ অধিকাৰ ভোটাৰে লাভ কৰা উচিত বুলিও মন্তব্য কৰিছে। উল্লেখ্য যে, ভিভিপেটৰ শ্লিপৰ সৈতে ইভিএমৰ ভোট মিলাই চোৱা-নোচোৱাক লৈ বিতৰ্ক দীৰ্ঘদিন ধৰি চলি আহিছে। ২০১৯ চনৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে এটা বিধানসভা কেন্দ্ৰত অন্তত ৫০ শতাংশ ইভিএমৰ সৈতে ভিভিপেট শ্লিপ মিলাই চাবলৈকে সৰ্বোচ্চ আদালতৰ দ্বাৰস্থ হৈছিল ২১ টা বিৰোধী ৰাজনৈতিক দল। ইয়াৰ পূৰ্বে প্ৰতিটো বিধানসভাত যিকোনো এটা ইভিএম বাছি লৈ ভিভিপেট শ্লিপ মিলাই চোৱা হৈছিল। সৰ্বোচ্চ আদালতৰ নিৰ্দেশৰ পিছত সেই সংখ্যা ৫টালৈ বৃদ্ধি পায়। একেদৰে, সকলো ইভিএমৰ ভোটৰ সৈতে ভিভিপেট শ্লিপ মিলাই চাব লাগে বুলি দাবী জনাই সৰ্বোচ্চ আদালতৰ কাষ চাপিছিল এছ'চিয়েশ্যন ফৰ ডেমোক্ৰেটিক ৰিফৰ্মছ চমুকৈ এডিআৰ। এডিআৰৰ আবেদনৰ শুনানি গ্ৰহণ কৰি সৰ্বোচ্চ ন্যায়ালয়ে নিৰ্বাচন প্ৰক্ৰিয়াক লৈ জনস্বাৰ্থজনিত আবেদন দাখিলৰ বিষয়টোৱে নিৰ্বাচনক লৈ সন্দেহ সৃষ্টি কৰে বুলি মন্তব্য কৰিছিল। ইফালে যোৱা দেওবাৰে ইণ্ডিয়া মিত্ৰজোঁটৰ এটা প্ৰতিনিধি দলে ১০০ শতাংশ ভিভিপেটৰ শ্লিপৰ হিচাপ বিচাৰি নিৰ্বাচন আয়োগক সাক্ষাৎ কৰিব বিচাৰিছিল যদিও আয়োগে সাক্ষাৎ নিদিলে বুলি অভিযোগ উত্থাপন কৰিছিল কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে। এনে পৰিপ্ৰেক্ষিততে আজি আদালতে প্ৰেৰণ কৰা জাননী বিশেষ হিচাপে বিবেচিত হৈছে। আজি শুনানি গ্ৰহণ কৰিছিল ন্যায়াধীশ বিআৰ গৱাই আৰু সন্দীপ মেহতাৰ বিচাৰপীঠে।

# গুৰু কেজৰিৱালক আপৰ ৫৫ বিধায়কৰ গুৰুদক্ষিণা, পূৰ্ণ সমৰ্থন ঘোষণা

**নতুন দিল্লী, ২ এপ্ৰিলঃ** আপৰ দিল্লীৰ ৫৫ জন বিধায়কে গুৰুদক্ষিণা দিলে অৰবিন্দ কেজৰিৱালক। অৰবিন্দ কেজৰিৱালক গুৰু মানিয়েই ৰাজনীতিলৈ অহা আৰু কেজৰিৱালৰ নেতৃত্বত নিৰ্বাচন খেলি দিল্লীৰ বিধায়ক হোৱা ৫৫ জন বিধায়কে আজি গুৰুদক্ষিণা দিয়ে। কাৰাগাৰত বন্দী অৰবিন্দ কেজৰিৱালক পূৰ্ণ সমৰ্থন কৰি যোৱাৰ ঘোষণা কৰে ৫৫গৰাকী বিধায়কে। আজি দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দে কেজৰিৱালৰ পত্নী সুনীতা কেজৰিৱালক সাক্ষাৎ কৰি বিধায়কসকলে মুখ্যমন্ত্ৰী কেজৰিৱালক পদত্যাগ নকৰিবলৈ আৰু কাৰাগাৰৰ পৰা চৰকাৰ চলাই নিয়াৰ আহ্বান জনায়। আম আদমী পাৰ্টিৰ বিধায়কসকলে সুনীতা কেজৰিৱালক আশ্বস্ত কৰে যে দিল্লীৰ ২ কোটি মানুহ কেজৰিৱালৰ সৈতে থিয় দিছে। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে কোনো মূল্যতে তেওঁৰ পদৰ পৰা পদত্যাগ কৰা উচিত নহয়। তেওঁ কাৰাগাৰৰ পৰা দিল্লী চৰকাৰ চলাই যাওক। দলটোৰ ৫৯ জন বিধায়কৰ ভিতৰত ৪ জন বিধায়ক দিল্লীৰ বাহিৰত থকাত সুনীতা কেজৰিৱালক সাক্ষাৎ কৰিবলৈ নহা বুলি জানিব পৰা গৈছে। আম আদমী পাৰ্টিৰ জ্যেষ্ঠ নেতা আতিশীয়ে এখন সংবাদমেল অনুষ্ঠিত কৰি বিজেপিৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। আতিশীয়ে কয় যে বিজেপিৰ হৈ মোৰ ঘনিষ্ঠ বন্ধুৱে যোগাযোগ কৰি বিজেপিত যোগদান কৰক, নহলে অহা ১ মাহৰ ভিতৰত, প্ৰৱৰ্তন সঞ্চালকালয়ে মোৰ ঘৰত অভিযান চলাব আৰু মোক গ্ৰেপ্তাৰ কৰা হ'ব। বিজেপিয়ে অহা দুমাহৰ ভিতৰত মোক, সৌৰভ ভৰদ্বাজ, ৰাঘৱ চাধা আৰু দুৰ্গেশ পাঠকক গ্ৰেপ্তাৰ কৰিব বিচাৰিছে। আপ নেতা প্ৰিয়ংকা কক্কৰে কয় যে জনসভাত কেজৰিৱালে লাভ কৰা অভূতপূৰ্ব সমৰ্থনৰ বাবে বিজেপিত জোকাৰণি আৰম্ভ হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সোণোৱালৰ বিৰুদ্ধে গণ

প্ৰভাৱশালী নেতা সৰ্বানন্দ সোণোৱালৰ সন্মুখত বিপদ হৈ থিয় দিছে নিজ জনগোষ্ঠীৰে এটা সংগঠন৷ সৰ্বানন্দ সোণোৱালাৰ বিৰোধ কৰি ডিব্ৰুগড়ৰ কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ঐক্য মঞ্চৰ সমৰ্থনৰ ঘোষণা কৰিছে সোণোৱাল-কছাৰী জনগোষ্ঠীৰ সংগঠনটোৱে৷ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈক সমৰ্থন কৰিছে সোণোৱাল-কছাৰী গণ মঞ্চই৷ এইবাৰ সৰ্বানন্দ সোণোৱালক নিজ জনগোষ্ঠীৰ মানুহে এঘৰীয়া কৰিলে নেকি তাকেই লৈ প্ৰশ্ন উত্থাপন হ'ব ধৰিছে৷ জনজাতীয় নেতা হিচাপে মুখ্যমন্ত্ৰীৰ চকী এৰিছিল কিয়, নিজ জনগোষ্ঠীৰ ছাত্ৰৰ বাবে হোষ্টেল নিৰ্মাণ নকৰিলে কিয়, সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ নকৰিলে কিয় বুলি নিজ জনগোষ্ঠীৰ মানুহে এতিয়া এনে হাজাৰ-বিজাৰ প্ৰশ্ন কৰিবলৈ আৰম্ভ কৰিছে সৰ্বানন্দ সোণোৱালক৷ নিজ জনগোষ্ঠী সোণোৱাল-কছাৰীৰ হৈ কি কৰিছে তাকেলৈ প্ৰশ্ন উত্থাপন হৈছে৷ সৰ্বানন্দ সোণোৱালাৰ বিৰুদ্ধে বহু প্ৰশ্ন উত্থাপন কৰি সোণোৱাল-কছাৰী গণ মঞ্চই বিজেপিৰ প্ৰভাৱশালী নেতা তথা ডিব্ৰুগড় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী সোণোৱালক ব্যাপক আক্ৰমণৰ লক্ষ্য কৰি লৈছে৷ ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে প্ৰচাৰত ব্যস্ত থকাৰ সময়তে উজনি অসমত সোণোৱালা-কছাৰী অধ্যুষিত এলেকাত সক্ৰিয় জনগোষ্ঠীয় সংগঠন সোণোৱাল-কছাৰী গণ মঞ্চই বহু প্ৰশ্ন কৰিবলৈ আৰম্ভ কৰিছে সৰ্বানন্দ সোণোৱালক৷ সোণোৱাল-কছাৰীৰ বাবে একো নকৰাৰ অভিযোগ আনি সৰ্বানন্দ সোণোৱালক আক্ৰমণৰ লক্ষ্য কৰি লৈছে সোণোৱাল-কছাৰী গণ মঞ্চই৷ সৰ্বানন্দ সোণোৱালক লৈ ডিব্ৰুগড়ৰ বিজেপি কৰ্মী উৎসাহী যদিও সৰ্বানন্দ সোণোৱালৰ বিৰুদ্ধে নিজ জনগোষ্ঠীয় সংগঠনে আৰম্ভ কৰিছে মুকলি বিদ্ৰোহ। নিৰ্বাচনৰ প্ৰাক্কক্ষণত সৰ্বানন্দ সোণোৱালৰ ব্যৰ্থতাক লৈ বিগত কেইবাটাও দিন ধৰি সৰৱ হৈছে সোণোৱাল কছাৰী গণ মঞ্চ। মুখ্যমন্ত্ৰী হৈ থকাৰ সময়ত সৰ্বানন্দ সোণোৱালে সোণোৱাল-কছাৰীৰ বাবে একো নকৰাৰ অভিযোগ আনি ডিব্ৰুগড়ত লুৰীণজ্যোতি গগৈক সমৰ্থনৰ ঘোষণা কৰিছে সোণোৱাল-কছাৰী গণ মঞ্চই। ইয়াৰ পাছতে বিজেপিৰ নেতাই আক্ৰমণৰ লক্ষ্য কৰি লৈছে সোণোৱাল-কছাৰী গণ মঞ্চক৷ গণ মঞ্চক কংগ্ৰেছৰ বি-টিম বুলি সমালোচনা কৰিছে সোণোৱাল-কছাৰী স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্য্যবাহী টংকেশ্বৰ সোণোৱালে। এই সমালোচনাৰ পাছতে পুনৰ সংবাদমেল অনুষ্ঠিত কৰি গণ মঞ্চই সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ ব্যৰ্থতা উদঙাই দিয়ে৷ গুৱাহাটীকে ধৰি ৭ জিলাৰ সদৰত সোণোৱাল কছাৰী ছাত্ৰৰ বাবে হোষ্টেল নিৰ্মাণৰ কথা আছিল৷ কিন্তু আজিলৈ নিৰ্মাণ কৰা নহ'ল কিয় তাকে লৈ প্ৰশ্ন উত্থাপন কৰে গণ মঞ্চই৷ মৰাণ সমষ্টিত সোণোৱাল বহুৱা নৃত্যৰ সাংস্কৃতিক প্ৰকল্প নিৰ্মাণৰ ঘোষণা কৰিছিল সৰ্বানন্দ সোণোৱালে৷ মুখ্যমন্ত্ৰী হৈ থকাৰ সময়ত ঘোষণা কৰা এক কোটি টকা কিয় দিয়া নহ'ল কিয়? এনে বহু প্ৰশ্ন উত্থাপন কৰি সৰ্বানন্দ সোণোৱাল আৰু টংকেশ্বৰ সোণোৱালক উভতি ধৰিছে সোণোৱাল কছাৰী গণ মঞ্চই। সংবাদমেলত সোণোৱাল কছাৰী গণ মঞ্চৰ সম্পাদক গোপাল সোণোৱালকে ধৰি বহু কেইজন বিষয়ববীয়া উপস্থিত থাকে। ইফালে, সংগঠনটোৰ এই ঘোষণাৰ পিছতে এতিয়া বিজেপি প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দৰ শিবিৰত হাহাকাৰ লাগিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দুৰ্দিনৰ মাজতো আপ নেতা

দলটোৰ নেতা-কৰ্মী৷ কিন্তু অৰবিন্দ কেজৰিৱালে তিহাৰৰ ২ নং কাৰাগাৰত এটা নিশা কটোৱাৰ পাছতে এটা ভাল খবৰে আম আদমী পাৰ্টীৰ নেতা-কৰ্মীক কিছু সকাহ দিছে৷ সেই ভাল খবৰটো হৈছে কেজৰিৱালৰ পিছতে দলৰ দ্বিতীয় শীৰ্ষ নেতা সুৰা কেলেংকাৰীৰ গোচৰতে গ্ৰেপ্তাৰ হোৱা ৰাজ্যসভাৰ সাংসদ সঞ্জয় সিঙক জামিন প্ৰদান কৰিছে উচ্চতম ন্যায়ালয়ে৷ বিগত ছয়মাহে তিহাৰ কাগাৰাত বন্দী হৈ থকা সঞ্জয় সিঙে আজিয়েই মুকলি আকাশৰ তললৈ আহে৷ ইডিয়েও জামিনৰ বিৰোধিতা কৰা নাছিল আৰু কৈছিল যে জামিন দিব পাৰি। সঞ্জয় সিঙে নিৰ্বাচনী প্ৰচাৰত নামিব পাৰিব। পূৰ্বৰ শুনানিত, সঞ্জয় সিঙৰ হৈ উপস্থিত থকা জ্যেষ্ঠ অধিবক্তা অভিষেক মনু সিংভিয়ে প্ৰৱৰ্তন সঞ্চালকালয়ৰ (ইডি) মুখ্য সাক্ষী দিনেশ অৰোৰাই সঞ্জয় সিঙৰ নাম পূৰ্বে দিয়া ৯টা জবানবন্দীত উল্লেখ কৰা নাছিল বুলি দাবী কৰিছিল। কিন্তু সঞ্জয় সিঙক ডেৰ বছৰ পিছত গ্ৰেপ্তাৰ কৰা হৈছিল। সিংভিয়ে আদালতত সাক্ষীৰ সাক্ষ্য নিশ্চিত নোহোৱালৈকে বিশ্বাসযোগ্য নহয় বুলি কৈছিল। কিন্তু জামিনৰ বাবে উচ্চতম ন্যায়ালয়ত আজি অনুষ্ঠিত শুনানিত সঞ্জয় সিঙক উচ্চতম ন্যায়ালয়ে ৬ মাহৰ অন্তত জামিন দিয়ে। আদালতে জামিনৰ কিছু চৰ্তাৱলী নিৰ্ধাৰণ কৰিছে৷ সুৰা কেলেংকাৰী গোচৰ সাক্ষী দিনেশ অৰোৰাই ২০২৩ চনৰ ১৯ জুলাইত সঞ্জয় সিঙৰ নাম প্ৰথমবাৰ লৈছিল৷ কিন্তু পূৰ্বে ১৬৪টা জবানবন্দী সিঙৰ নাম উল্লেখ কৰা নাছিল। সঞ্জয় সিঙে ইডিৰ বিৰুদ্ধে মানহানি গোচৰ তৰিছিল৷ কিন্তু কেইদিন পাছতে ইডিয়ে চমন অবিহনে সিঙক গ্ৰেপ্তাৰ কৰে। এই জামিনক এক দৃষ্টান্ত হিচাপে গণ্য কৰা হ'ব। কিয়নো কাৰাগাৰত থকা আপৰ আন নেতাসকলৰ জামিন লাভৰ পথ মুকলি হ'ব৷ কিন্তু উচ্চ ন্যায়ালয়ে ৭ ফেব্ৰুৱাৰীত সিঙৰ জামিনৰ আবেদন নাকচ কৰিছিল৷ কিন্তু আদালতক বিচাৰ আৰম্ভ হোৱাৰ পিছতে শুনানি ত্বৰান্বিত কৰিবলৈ নিৰ্দেশ দিছিল। সিঙ দিল্লীৰ পৰা ৰাজ্যসভাৰ সাংসদ৷ প্ৰৱৰ্তন সঞ্চালকালয়ে ২০২৩ চনৰ ৪ অক্টোবৰত সঞ্জয় সিঙক গোচৰটোত গ্ৰেপ্তাৰ কৰিছিল। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালকো দিল্লীৰ সুৰা নীতি সম্পৰ্কীয় ধন ৰপ্তানিৰ গোচৰত গ্ৰেপ্তাৰ কৰা হৈছে আৰু তিহাৰ কাৰাগাৰত ৰখা হৈছে। মনীষ চিছোদিয়া আৰু বিআৰএছৰ নেত্ৰী কে. কবিতা ইতিমধ্যে গোচৰত গ্ৰেপ্তাৰ হৈ কাৰাগাৰত আছে। দিল্লীৰ মুখ্যমন্ত্ৰী কেজৰিৱালক ২১ মাৰ্চত প্ৰৱৰ্তন সঞ্চালকালয়ে গ্ৰেপ্তাৰ কৰিছিল আৰু ১০ দিনৰ বাবে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছিল।

# শিলচৰৰ বিশাল মেগামাৰ্টত গ্ৰাহকৰ বেগ চুৰি

**ই-সংবাদ, ২ এপ্ৰিলঃ** বৰাক উপত্যকাৰ শিলচৰ চহৰৰ মাজ-মজিয়াৰ বিশাল মেগামাৰ্টত চুৰিকাণ্ড সংঘটিত হোৱাৰ অভিযোগৰ পাছতে আজি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। বিশাল মেগামাৰ্টৰ ভিতৰৰ পৰা ধনৰ বেগ-মোবাইল চুৰি কৰাৰ অভিযোগ উত্থাপন হয়। বিশাল মেগামাৰ্টৰ ভিতৰৰ পৰা ধনৰ বেগ আৰু মোবাইল চুৰি কৰাৰ অভিযোগ উত্থাপন কৰে এটা পৰিয়ালে। এই অভিযোগ উত্থাপনৰ পাছতে পৰিয়ালটোৱে চিচিটিভিৰ ফুটেজ চাব বিচাৰে। কিন্তু শিলচৰ বিশাল মেগামাৰ্ট কৰ্তৃপক্ষই চিচিটিভিৰ ফুটেজ দেখুৱাবলৈ অস্বীকাৰ কৰে। পাছত আৰক্ষীৰ কাষ চাপে লোকজনে। জানিব পৰা মতে, মঙলবাৰে দিনৰ ১ বজাত শিলচৰৰ যুৱক ছলিমুল হকে পৰিয়ালৰ সৈতে বিশাল মেগা মাৰ্টত কাপোৰ কিনিবলৈ আহিছিল। সেই সময়তে সুযোগ গ্ৰহণ কৰি মোবাইল ফোনৰ লগতে ধন আৰু আন কিছু নথি-পত্ৰ চুৰি কৰি নিয়াৰ অভিযোগ আনে। চোৰ চিনাক্ত কৰিবলৈ বিশালৰ চিচিটিভি ফুটেজ চাব খোজে। কিন্তু কৰ্তৃপক্ষই চোৰ ধৰাত সহায় কৰাৰ পৰিৱৰ্তে ছলিমুল হকক ওলোটাই নিৰ্যাতন চলোৱাৰ অভিযোগ উঠিছে। ফলত বিশাল মেগা মাৰ্টত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। এই ঘটনাৰ খবৰ পাই ঘটনাস্থলীত উপস্থিত হয় কাছাৰ আৰক্ষী দল। ছলিমুল হকে শিলচৰ সদৰ থানাত এজাহাৰ দাখিল কৰি ঘটনা উচিত তদন্তৰ দাবী জনায়।

# নগাঁৱত দুগৰাকী প্ৰাৰ্থীৰ মনোনয়ন দাখিল

**ই-সংবাদ, ২ এপ্ৰিলঃ** সমাগত লোকসভা নিৰ্বাচনৰ বাবে নগাঁও লোকসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতাৰ বাবে মঙলবাৰে দুগৰাকী প্ৰাৰ্থীয়ে নিজা মনোনয়ন পত্ৰ দাখিল কৰিছে। আজি দুপৰীয়া একাংশ সমৰ্থকৰে সৈতে আহি নগাঁৱৰ আয়ুক্ত কাৰ্যালয়ত সংশ্লিষ্ট বিষয়াৰ হাতত মনোনয়ন পত্ৰ দাখিল কৰা প্ৰাৰ্থী দুগৰাকী হৈছে শিখা শৰ্মা আৰু আবু শ্বামা **তেওঁলোক দুয়োগৰাকীয়েই নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নিজা নিজা মনোনয়নপত্ৰ দাখিল কৰে উল্লেখ্য যে,নিৰ্দলীয় প্ৰাৰ্থী শিখা শৰ্মাই এখন মনোনয়ন পত্ৰ আৰু আবু শ্বামাই দুখন মনোনয়ন পত্ৰ দাখিল কৰিছে মনোনয়ন পত্ৰ দাখিল কৰি নিৰ্দলীয় প্ৰাৰ্থী শিখা শৰ্মাই কয়- "মই শিখা শৰ্মাই কাকো জিকাবলৈ অহা নাই, নিজে জিকিবলৈ আহিছো " "সমষ্টিটোত মই সাত মাহ ধৰি প্ৰচাৰ চলাই আছো**

# বটদ্ৰৱা থানৰ নৰোৱা সত্ৰৰ নতুন সত্ৰাধিকাৰক আশীৰ্বাদ নিৰ্মালী প্ৰদান

## অম্লান জ্যোতি দেৱ গোস্বামীক প্ৰদান গুৰু দায়িত্ব

**ই-সংবাদ, ২ এপ্ৰিলঃ** বটদ্ৰৱা থানৰ নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ হিচাপে অম্লান জ্যোতি দেৱ গোস্বামীক পৰৱৰ্তী সত্ৰাধিকাৰ হিচাপে আশীৰ্বাদ নিৰ্মালী প্ৰদান কৰে। কুজি সত্ৰৰ সত্ৰাধিকাৰ নিত্যানন্দ দেৱ গোস্বামী, দিঘলী সত্ৰৰ সত্ৰাধিকাৰ প্ৰদীপ মহন্ত, সুন্দৰী দিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল দেৱ অধিকাৰী, পাটবাউসী সত্ৰৰ ভকত বৈষ্ণৱ, মহাপুৰুষীয়া সত্ৰ সমাজ, অসম সত্ৰ মহাসভাৰ লগতে বটদ্ৰৱা থানৰ ভকত বৈষ্ণৱ, আইমাতৃসকলৰ উপস্থিতিত আশীৰ্বাদ নিৰ্মালী প্ৰদান কৰি নৰোৱা সত্ৰৰ পৰৱৰ্তী সত্ৰাধিকাৰ হিচাপে অম্লান জ্যোতি দেৱগোস্বামীৰ নাম ঘোষণা কৰা হয়। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে, কিছুদিন পূৰ্বে কেতিয়াও উভতি নহাৰ বাটেৰে গুচি গৈছিল সত্ৰীয়া সংস্কৃতিৰ একনিষ্ঠ সাধক তথা বটদ্ৰৱাৰ বটবৃক্ষ স্বৰূপ নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ দেবানন্দ দেৱ গোস্বামী। মঙলবাৰে প্ৰয়াত গোস্বামীদেৱৰ আদ্যশ্ৰাদ্ধৰ অনুষ্ঠানত উপস্থিত হয় ৰাজ্যৰ সত্ৰীয়া সমাজৰ লগতে বহু কেইজন সত্ৰাধিকাৰ। এই পবিত্ৰ দিনটোতে নৰোৱা সত্ৰৰ পৰৱৰ্তী সত্ৰাধিকাৰ হিচাপে প্ৰয়াত সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামীৰ বৰ পুত্ৰ আম্লান জ্যোতি দেৱগোস্বামীক আশীৰ্বাদ নিৰ্মালী প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, ১৯৫৭ চনত জন্ম গ্ৰহণ কৰা দেৱানন্দ দেৱ গোস্বামীয়ে কম সময়ৰ ভিতৰতে মহাপুৰুষ গুৰুজনাৰ সৃষ্টিৰাজি তথা সংস্কৃতি চৰ্চা কৰি জনমানসত প্ৰচাৰ আৰু প্ৰসাৰ কৰিছিল।



**মৰিয়নিত এনেদৰেই স্বাগতম জনালে গৌৰৱ গগৈক, ফটো মঙলবাৰৰ**

# ভাৰতীয় সেনা বাহিনীৰ অৱসৰী নায়ক কৃপাৰাম দাসৰ মৃত্যু

**ই-সংবাদ, বৰমা, ২ এপ্ৰিলঃ** ভাৰতীয় সেনা বাহিনীৰ অৱসৰী নায়ক, দীঘেলীৰ সমাজপ্ৰাণ জ্যেষ্ঠ নাগৰিক কৃপাৰাম দাসৰ কালি দীঘেলীৰ থলাবাৰীস্থিত নিজা বাসভৱনত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয় । মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৮০ বছৰ । উল্লেখ্য যে অসমীয়া খবৰ কাকতৰ বৰমাৰ সাংবাদিক দিলীপ কুমাৰ বড়োৰ পিতৃ কৃপাৰাম দাসে ১৯৭১ চনত ভাৰত পাকিস্তানৰ যুদ্ধৰ সময়ত সেনা বাহিনীৰ নায়ক হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। তেখেতে ১৯৮৭ চনত সেনা বাহিনীৰ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। তেখেতৰ মৃত্যুত দীঘেলী আঞ্চলিক প্ৰগতি সংঘ, দীঘেলী ক্ৰীড়া সন্থা, থলাবাৰী নামঘৰ সমিতি,থলাবাৰী শিৱ পূজা পৰিচালনা সমিতি, টিহু মহকুমা ৰিপৰ্টাৰ্ছ এচোছিয়েশ্যন,বাস্কা প্ৰেছ ক্লাব বৰমা , মুছলপুৰ প্ৰেছ ক্লাৱ, নমাটি ফিৰিঙতি সাহিত্য গোষ্ঠী ,দীঘেলী জ্যেষ্ঠ নাগৰিক সন্হা,দীঘেলী গাওঁ উন্নয়ন সমিতি,নমাটি বহুমুখী সমবায় সমিতি আদিয়ে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেখেতে দুই পুত্ৰ, নাতি নাতিনীক এৰি থৈ যায়।

## মৰিয়নীৰ ভিন্ন প্ৰান্তত গৌৰৱ গগৈলৈ বিপুল সহাঁৰি ৰাইজৰ

# অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ পৰা আশীষ ল'লে গৌৰৱ গগৈয়ে





**ই-সংবাদ, শিৱসাগৰ, ২ এপ্ৰিলঃ** আজি নিৰ্বাচনী ব্যস্ততাৰ মাজতে শিৱসাগৰত অৰ্জুন ভোগেশ্বৰ বৰুৱাক সাক্ষাৎ কৰে কংগ্ৰেছ নেতা তথা কংগ্ৰেছৰ যোৰহাটৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে। ভোগেশ্বৰ বৰুৱাক শিৱসাগৰৰ বাসগৃহত সাক্ষাৎ কৰি প্ৰায় এঘণ্টা সময় আলোচনাত মিলিত হয় গৌৰৱ গগৈ। ভোগেশ্বৰ বৰুৱাৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে বয়োজ্যেষ্ঠ ক্ৰীড়াবিদগৰাকীৰ আশীৰ্বাদ লয় গৌৰৱ গগৈয়ে। গগৈয়ে ভোগেশ্বৰ বৰুৱাৰ দীৰ্ঘায়ু আৰু শাৰিৰীক ভাবে সবল হৈ থকাৰ কামনা কৰে। গৌৰৱ গগৈয়ে আগন্তুক নিৰ্বাচনৰ বাবে আশীষ লৈ ভোগেশ্বৰ বৰুৱাক জাতিৰ সম্পদ আখ্যা দিয়ে। গৌৰৱ গগৈয়ে আৰু কয় যে ১৯৬৬ আৰু ১৯৭০ চনত এছিয়ান গেমছত ভাৰতীয় দলৰ হৈ দৌৰি পদক অৰ্জন কৰি ভোগেশ্বৰ বৰুৱাই দেশ আৰু অসমৰ ক্ৰীড়াক্ষেত্ৰত অৰিহণা যোগাইছিল।

## অপৰাধ অনুসন্ধান আৰু দুৰ্নীতি নিবাৰক শাখাই মাটিৰ কাগজ

# শিক্ষা বিষয়া নৱকৃষ্ণ ৰায়ৰ কোকৰাঝাৰস্থিত গৃহত তালাচী

**ই-সংবাদ, কোকৰাঝাৰ, ২ এপ্ৰিলঃ** কোকৰাঝাৰ সদৰ চহৰৰ বাসিন্দা তথা ধুবুৰী জিলাৰ গোলকগঞ্জ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৱকৃষ্ণ ৰায়ৰ কোকৰাঝাৰস্থিত নিজ গৃহত আজি অপৰাধ অনুসন্ধান আৰু দুৰ্নীতি নিবাৰক শাখাই অভিযান চলায়। গোলকগঞ্জ খণ্ড প্ৰাথমিক উচ্চ বৰ্গৰ সহায়ক দপেন্দ্ৰ নাথ ব্ৰহ্মৰ সতে মিলি দুৰ্নীতি কৰা বুলি উত্থাপিত হোৱা অভিযোগৰ ভিত্তিতে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৱকৃষ্ণ ৰায়ৰ বাসগৃহত অপৰাধ অনুসন্ধান আৰু দূৰ্নীতি নিবাৰক শাখাই অভিযান অভিযান চলায়। ইয়াৰ পূৰ্বে অপৰাধ অনুসন্ধান আৰু দুৰ্নীতি নিবাৰকশাখাই গোলকগঞ্জ খণ্ড প্ৰাথমিক উচ্চ বৰ্গৰ সহায়ক দপেন্দ্ৰ নাথ ব্ৰহ্মক হাতে-লোটে আটক কৰে। তাৰপিছতে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৱকৃষ্ণ ৰায়ৰ কোকৰাঝাৰস্থিত বাসভৱনত অপৰাধ অনুসন্ধান আৰু দুৰ্নীতি নিবাৰক শাখাই অভিযান চলায়। কোকৰাঝাৰত অভিযান চলোৱাৰ পিছত নৱকৃষ্ণ ৰায়ৰ পৈত্ৰিক গৃহ শক্তিআশ্ৰমৰ বলদিয়াবাথানতো অভিযান চলায় অপৰাধ অনুসন্ধান আৰু দুৰ্নীতি নিবাৰক শাখাই।উল্লেখ্য যে চাকৰিৰ খতিয়ান বহী নবীকৰণৰ বাবদ উচ্চ বৰ্গৰ সহায়ক দপেন্দ্ৰ নাথ ব্ৰহ্মৰ সতে মিলি ধন সংগ্ৰহ কৰাৰ অভিযোগ নৱকৃষ্ণ ৰায়ৰ বিৰুদ্ধে উত্থাপিত হৈছে। ইপিনে নৱকৃষ্ণ ৰায়ৰ সহধৰ্মিনীয়ে অভিযোগ কৰা মতে উচ্চ বৰ্গৰ সহায়ক জনৰ ষড়যন্ত্ৰৰ বলি হৈছে তেওঁৰ স্বামী। প্ৰতিটো ৰুম, পায়খানা, টয়লেট, মন্দিৰ, আলমাৰী আদি সকলো চলাথ কৰিও অভিযানকাৰী দলটোৱে একো নাপালে যদিও মাটিৰ কাগজ লৈ যোৱাৰ অভিযোগ কৰিছে সহধৰ্মিনীয়ে।

# প্ৰাক্তন আছু নেতাৰ মৃত্যুত আজাৰাত শোকৰ ছাঁ

**ই-সংবাদ, আজাৰা, ২ এপ্ৰিলঃ** প্ৰাক্তন আছু নেতাৰ মৃত্যুত গুৱাহাটী মহানগৰীৰ সমীপৱৰ্তী আজাৰাত শোকৰ ছাঁ পৰিছে৷ এক দুৰ্ঘটনাত পতিত অকালতে মৃত্যুক আকোৱালি লয় প্ৰাক্তন আছু নেতা নৱনিত দাসৰ৷ আজি আজাৰিস্থিত আছুৰ কাৰ্যালয়লৈ অনা হয় নৱনিত দাসৰ নশ্বৰহদেহ৷ আজাৰা ছাত্ৰ সন্থাৰ সমিতিয়ে আজি সংগঠনৰ পতাকা প্ৰদান কৰি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে৷ আছুৱে তেওঁৰ



মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। বিদেহ আত্মাৰ শান্তি কামনা কৰে। আনহাতে, আন আন দল-সংগঠনে নৱনিত দাসক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে৷ আজি নৱনিত দাসৰ শেষকৃত্য সম্পন্ন কৰে৷ আজাৰা ছাত্ৰ সন্থাৰ প্ৰাক্তন সক্ৰিয় সদস্য নৱনিত দাসে কালি এক আকস্মিক দুৰ্ঘটনাত পতিত হৈ মৃত্যুৰ খবৰে সকলোকে মৰ্মাহত কৰিছে।

## উন্নয়ন নেদেখা গাঁওবাসীয়ে নিৰ্বাচন বৰ্জনৰ সিদ্ধান্ত

# লখিমপুৰত প্ৰদান বৰুৱা গ’ বেক ধ্বনিৰে নিৰ্বাচন বৰ্জনৰ হুংকাৰ জনতাৰ



**ই-সংবাদ, ২এপ্ৰিলঃ** নিৰ্বাচনী প্ৰচাৰ তুংগত থকাৰ সময়তে এক বেয়া খবৰ লখিমপুৰ লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী প্ৰদান বৰুৱা তথা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ বাবে ৷ নিজ সমষ্টিতে গ' বেক ধ্বনিৰ সন্মুখীন প্ৰদান বৰুৱা আৰু ডাঃ ৰণোজ পেগু ৷ আনকি নিৰ্বাচনী প্ৰচাৰ তীব্ৰ ৰূপ ধাৰণ কৰাৰ সময়তে সমষ্টিটোৰ এখন গাঁৱৰ ৰাইজে নিৰ্বাচন বৰ্জনৰো হুংকাৰ দিছে। উল্লেখ্য যে, ৰাজ্যৰ চৌদিশে উন্নয়নৰ ঢাক-ঢোল বজাই থকা বিজেপি চৰকাৰখনৰ সুদৃষ্টিৰ পৰা নাই লখিমপুৰ লোকসভা সমষ্টিৰ অন্তৰ্গত ধেমাজিৰ বাটঘৰীয়া অঞ্চলৰ ঘেয়াৰী গাঁৱত ৷ ধেমাজি নগৰৰ পৰা প্ৰায় ৭ কিলোমিটাৰ নিলগৰ ২ নং ঘেয়াৰী গাঁৱত বছৰ বছৰ ধৰি ৰাইজে এখনি বাঁহৰ দলঙেৰে যাতায়াত কৰি আহিছে৷ অঞ্চলটোৰ ২নং ঘেয়াৰী, দুলুংকান, পাভমাৰী, শালমাৰি,গৰৈমাৰীকে ধৰি গাওঁকেইখনৰ সহস্ৰাধিক ৰাইজে সাংসদ প্ৰদান বৰুৱা আৰু স্থানীয় বিধায়ক তথা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক যাতায়তৰ সুবিধা হোৱাকৈ এখনি পকী দলং নিৰ্মাণ কৰি দিবলৈ বাৰম্বাৰ আবেদন নিবেদন জনাই আহিছে যদিও সাংসদ আৰু বিধায়কেগৰাকীয়ে কোনো গুৰুত্ব দিয়া ৷ নাই৷ ৰাইজে নিজে নিৰ্মাণ কৰি লোৱা বাঁহৰ দলংখন ইতিমধ্যে পুৰণি, জৰাজীৰ্ণ হৈ ভাঙি যোৱাত অঞ্চলটোৰ ৰাইজে যাতায়তৰ বাবে যন্ত্ৰণা ভুগিছে ৷ গাওঁকেইখনৰ কণ কণ ছাত্ৰ-ছাত্ৰী আৰু ৰোগীক এই জৰাজীৰ্ণ বাঁহৰ দলঙেৰে দৈনিক পাৰাপাৰ হ'ব লগীয়া অৱস্থা হৈছে ৷ শতাধিক লোকে জৰাজীৰ্ণ দলংখনৰ কাষলৈ ওলাই আহি এক প্ৰতিবাদী কাৰ্য্যসূচী গ্ৰহণ কৰি বিজেপি গ'বেক, প্ৰদান বৰুৱা গ'বেক, বিধায়ক ৰণোজ পেগু গ'বেক শ্ল'গানেৰে প্ৰতিবাদ সাব্যস্ত কৰি আগুন্তক লোক নিৰ্বাচনত ভোট বৰ্জনৰ হুংকাৰ দিয়ে

## যান্ত্ৰিকতাৰ নগৰীত পদপথতেই কবিতাৰ নিৰন্তৰ চৰ্চা

# চানমাৰিত 'পদপথত আবেলিৰ কবিতা' শীৰ্ষক মননশীল অনুষ্ঠান

**ই-সংবাদ, ২ এপ্ৰিলঃ** 'পদপথত আবেলিৰ কবিতা' কাব্যানুষ্ঠানৰ কবি সন্মিলন গুৱাহাটী চানমাৰিৰ পদপথ সংলগ্ন এটি সুন্দৰ মুকলি স্থানত যোৱা ১ এপ্ৰিল তাৰিখে অনুস্থিত হৈ যায়। সভাপতি কিশোৰী মোহন পাঠকৰ সভাপতিত্বত অনুষ্ঠিত কবি সন্মিলনখনি ৰীতা চৌধুৰীয়ে পৰিবেশন কৰা এটি গীতেৰে আৰম্ভ হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক কমলা কান্ত ডেকাই আৰু প্ৰতিবেদন পাঠ কৰে সহকাৰী সম্পাদক কাবেৰী দাসে। আদৰণি ভাষণ দিয়ে আহ্বায়িকা, কবি গীতুমণি শৰ্মাই। কবি সন্মিলন উদ্বোধন কৰে কবি নগেন্দ্ৰ মোহন ভট্টাচাৰ্য্যই। কবিতা পাঠ কৰে ড০ স্বৰ্ণলতা নাথ, জ্যোতিলেখা খাউণ্ড পণ্ডিত, নীলিমা গোস্বামী,পমী গোস্বামী, অঞ্জলি বৰুৱা চুতীয়া, সুশীলা তালুকদাৰ, বিজুমালী দত্ত, বিনীতা গোস্বামী, কাবেৰী দাস,বলভদ্ৰ নাথ, ভৱেশ দত্ত, গীতিকা কলিতা, মধুস্বপ্না পাঠক, বিভা দেৱী, বীণা ভূঞা কলিতা, দিপেন ভৰালী, অৰণী গোহাঁই, ফণিন্দ্ৰ নাথ বৰ্মন, অতুল শৰ্মা, ৰীতামণি বৰদলৈ, মদন চন্দ্ৰ মেধি, দিলীপ বৰুৱা, বন্তি শইকীয়া দত্ত, মীৰা দেৱী বিপুল শৰ্মা, ৰণেন্দ্ৰ কুমাৰ বুঢ়াগোহাঁই আৰু বিউটি দাসে। পঠিত কবিতাৰ পৰ্যালোচনা কৰে ড০ স্বৰ্ণলতা নাথ আৰু ড০ ৰোমান শৰ্মাই। গীত পৰিৱেশন কৰে সুকুমাৰ দত্ত, সুৰলা দাস আৰু গিৰীশ কটকীয়ে।

# কোকৰাঝাৰ মাছ বজাৰ স্থানান্তৰকৰণক লৈ প্ৰতিবাদ



**ই-সংবাদ, কোকৰাঝাৰ, ২ এপ্ৰিলঃ** কোকৰাঝাত মাছৰ বজাৰ স্থানান্তৰকৰণক লৈ আজি এক হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয় আৰু মাছ ব্যৱসায়ীসকলে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে কোকৰাঝাৰৰ পুৰণি মাছ বজাৰৰ গৃহ নিৰ্মাণ চলি থকা বাবে মুখ্য বজাৰৰ বিল্ডিঙলৈ পৌৰ সভাই মাছৰ বজাৰ স্থানান্তৰ কৰিছিল। ইয়াতেই ব্যৱসায়ীসকলে আপত্তি কৰে আৰু বিল্ডিঙৰ ওপৰলৈ মাছ কঢ়িয়াই নি ব্যৱসায় কৰিবলৈ মাছ ব্যৱসায়ীসকল অমান্তি হয়। কাৰণ বিল্ডিঙলৈ মাছৰ কাৰ্টুন উঠাই নিয়াত অসুবিধাৰ সৃষ্টি হ'ব আৰু তাতে পানীৰ সুব্যৱস্থা নথকাৰ অভিযোগ কৰে মাছ ব্যৱসায়ীসকলে। ইপিনে উক্ত বিষয়টো সন্দৰ্ভত মাছ ব্যৱসায়ীসকলে কোকৰাঝাৰ পৌৰসভাৰ কাষ চাপি অধ্যক্ষৰ সৈতেমাছ ব্যৱসায়ী সকলে এক আলোচনাত মিলিত হয়। আলোচনাৰ অন্তত বিল্ডিঙৰ ওপৰ মহলাত নহয় বৰং বিল্ডিঙৰ তলতে মাছ বিক্ৰী কৰিব পাৰিব বুলি সিদ্ধান্ত লোৱা হয়। তদুপৰি নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ পিছতে পূৰ্বৰ স্থানত পুনৰ মাছ বজাৰ স্থানান্তৰিত কৰা হ'ব বুলি সিদ্ধান্ত লোৱা হয়।

# শেষ পৃষ্ঠা

## আই পি এলৰ খবৰ

# পৰাজয়ে লগ এৰা নাই ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক

ই-সংবাদ, ২এপ্ৰিলঃ চলিত বৰ্ষৰ আই পি এলত পৰাজয়ে লগত এৰা নাই ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক। মঙলবাৰে অনুষ্ঠিত হোৱাখ মেচখনত লক্ষ্নৌৰ বিৰুদ্ধে ২৮ৰাণ পৰাজিত হয় ফাফ্ ডু প্লেছিছ নেতৃত্বাধীন দলটো। বেটে-বলে পৰাক্ৰম দেখুৱাই শক্তিশালী বুলি চৰ্চাত থকা ৰয়েল চেলেঞ্জাৰ্ছক পৰাভূত কৰাত লক্ষ্নৌৰ দলটোৰ বলাৰে আজি বিশেষ ভূমিকা পালন কৰে। আজিৰ খেলত খনত লক্ষ্নৌৰ বেগী বলাৰ মায়াংকে ৪ অভাৰত ১৪ ৰান দি ৩ টা উইকেট দখল কৰে। পৰাজিত হলেও এই মেচখনত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰাট কোহলীয়ে অভিলেখ ৰচনা কৰে। আজি অনুষ্ঠিত হোৱা খেলখনৰ সৈতে বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত বিৰাট কোহলিৰ শততম T20 মেচ। একেখন ষ্টেডিয়ামত ১০০ খন মেচ খেলা প্ৰথম ভাৰতীয় খেলুৱৈ কোহলি। ইফালে লক্ষ্নৌৰ বেগী বলাৰ মায়ংক যাদৱে নিজেই ভংগ কৰে নিজৰ ৰেৰ্কড। ১৫৬.৭ কিঃমিঃ/ ঘণ্টা বেগেৰে RCBৰ বিৰুদ্ধে নিজৰেই ৰেকৰ্ড ভংগ কৰিলে LSGৰ পেচাৰ মায়াংক যাদৱে।



চলিত আই পি এলত সৰ্বাধিক ৰাণ। কোহলীৰ দখলত 'অৰেঞ্জ কেপ'






# ২৬ এপ্ৰিলত 'মৰিগাঁও নিৰ্বাচনী জিলা'ত স্থানীয় বন্ধ ঘোষণা



**ই-সংবাদ, লাহৰীঘাট, ২ এপ্ৰিলঃ** ৰাজ্যৰ সাধাৰণ প্ৰশাসন বিভাগে আসন্ন লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহনৰ প্ৰতি লক্ষ্য ৰাখি নগাঁও লোকসভা সমষ্টিৰ অধীনৰ আটাইকেইটা বিধানসভা সমষ্টিত অহা ২৬ এপ্ৰিলৰ দিনটো ৰাজহুৱা বন্ধৰ দিন হিচাপে ঘোষণা কৰিছে। সেই অনুসৰি এন আই এক্ট ১৮৮১ৰ ২৫ নং ধাৰা অনুসৰি ২৬ এপ্ৰিলৰ দিনা নগাঁও লোকসভা সমষ্টিৰ অধীনৰ মৰিগাঁও নিৰ্বাচন জিলাৰ ৫২ নং জাগীৰোড বিধানসভা সমষ্টি, ৫৩ নং লাহৰীঘাট আৰু ৫৪ নং মৰিগাঁও বিধানসভা সমষ্টি এলেকাৰ সকলো চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, পঞ্চায়ত আৰু স্থানীয় নগৰ নিকায়, শিক্ষানুষ্ঠান, বেংককে ধৰি সকলো ব্যৱসায় আৰু বাণিজ্যিক প্ৰতিষ্ঠান, চাহ বাগিচা, উদ্যোগ আদি বন্ধ থাকিব।






newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮

বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান